# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI
0000000000

**Date :** 28-05-2024
**Time :** 19-10 hrs

*Assamese Evening Bulletin*
## HEADLINES

১। ৰাজনৈতিক দলসমূহে লোকসভা নিৰ্বাচনৰ সপ্তম তথা অন্তিম পৰ্যায়ৰ বাবে প্ৰচাৰ তীব্ৰতৰ কৰি তুলিছে। এই পৰ্যায়ত পহিলা জুনত ৭ খন ৰাজ্য আৰু এটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৫৭টা সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব।

২। বংগোপসাগৰৰ উত্তৰ দিশৰ পৰা অসম তথা উত্তৰ-পূৰ্বাঞ্চলত প্ৰৱেশ কৰা ঘূৰ্ণী বতাহৰ প্ৰভাৱত ৰাজ্যখনৰ ঠায়ে ঠায়ে হোৱা প্ৰচণ্ড ধুমুহা আৰু বৰষুণৰ ফলত জনসাধাৰণৰ স্বাভাৱিক জীৱনযাত্ৰা ব্যাহত হৈছে।

৩। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই কৈছে যে, বিদায়ী সপ্তদশ লোকসভা মহিলা সংৰক্ষণ বিধেয়ক, ৩ তালাক প্ৰথাৰ বিলুপ্তি আৰু ভাৰতীয় ন্যায় সংহিতাসহ কেইবাখনো ঐতিহাসিক বিধেয়ক গৃহীতকৰণৰ বাবে জনা যাব। ***আৰু***

৪। উচ্চতম ন্যায়ালয়ৰ এখন অৱকাশকালীন বিচাৰপীঠে সুৰা নীতি কেলেংকাৰী সম্পৰ্কীয় ক'লাধন বৈধকৰণৰ গোচৰত অন্তৰৰ্তীকালীন জামিনৰ ম্যাদ ৭ দিনলৈ বৃদ্ধিৰ বাবে অনুৰোধ জনাই অৰবিন্দ কেজৰিৱালে দাখিল কৰা আবেদনৰ শুনানি গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিছে।

ooooo

ৰাজনৈতিক দলসমূহে লোকসভা নিৰ্বাচনৰ সপ্তম তথা অন্তিম পৰ্যায়ৰ বাবে প্ৰচাৰ তীব্ৰতৰ কৰি তুলিছে। এই পৰ্যায়ত পহিলা জুনত ৭ খন ৰাজ্য আৰু এটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৫৭টা সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব। সপ্তম পৰ্যায়ত মুঠ ৯০৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ঝাৰখণ্ডৰ ডুমকা বিমানবন্দৰ ময়দানত এখন নিৰ্বাচনী সভাক সম্বোধন কৰে। তেওঁ কয় যে ৪ জুনৰ পাছত দুৰ্নীতিগ্ৰস্ত লোকৰ বিৰুদ্ধে অধিক তীব্ৰতৰ হৈ উঠিব। ঝাৰখণ্ড মুক্তিমৰ্চা আৰু কংগ্ৰেছে নিজৰ কাৰ্যকালত ঝাৰখণ্ডক লুণ্ঠন কৰা আৰু বিপুল পৰিমাণৰ ধন আহৰণ কৰা বুলি প্ৰধানমন্ত্ৰীয়ে অভিযোগ তোলে। তেওঁ কয় যে ৰাজ্যখনৰ দুৰ্নীতিগ্ৰস্ত মন্ত্ৰী, সাংসদ আৰু বিষয়ববীয়াসকলৰ বিৰুদ্ধে চলোৱা তালাচীত বিপুল পৰিমাণৰ নগদ ধন উদ্ধাৰ হৈছে। ২০১৪ চনৰ পূৰ্বে দেশৰ জনসাধাৰণ কংগ্ৰেছৰ অপশাসনক লৈ অতিষ্ঠ হৈ পৰিছিল বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে জে এম এম, কংগ্ৰেছ, আৰ জে ডি আৰু আই এন ডি আই মিত্ৰজোট দুৰ্নীতি আৰু স্বজনতোষণৰ সৰ্ববৃহৎ আৰ্হিৰূপে পৰিগণিত হৈছে। প্ৰধানমন্ত্ৰীয়ে কয় যে তেওঁ দেশক এই অপশক্তিসমূহৰ পৰা মুক্ত কৰাৰ সংকল্প গ্ৰহণ কৰিছে। তেওঁ লগতে জে এম এম নেতৃত্বাধীন শাসকীয় মিত্ৰজোটে ঝাৰখণ্ডত অনুপ্ৰৱেশকাৰীসকলৰ ৰক্ষণাবেক্ষণ দিয়া আৰু জনজাতীয় লোকৰ স্বাৰ্থৰ প্ৰতি আওকান কৰা বুলি অভিযোগ উত্থাপন কৰে।

পাছত প্ৰধানমন্ত্ৰীয়ে পশ্চিমবংগৰ বাৰাচাত আৰু বচিৰহাট সমষ্টিৰ দলীয় প্ৰাৰ্থীৰ সমৰ্থনত উত্তৰ চবিবছ পৰগণা জিলাত প্ৰচাৰত অংশ লয়। প্ৰচাৰ কালত শ্ৰীমোদীয়ে কয় যে, তেওঁৰ শাসনকালত দুৰ্নীতিৰ প্ৰতি শূন্য সহনশীলতাৰ নীতি অনুসৰণ কৰা হৈছে। তেওঁ কয় যে, কংগ্ৰেছ আৰু আই এন ডি আই মিত্ৰজোটে সৰ্বসাধাৰণ ৰাইজৰ কথা চিন্তা নকৰে বৰং তেওঁলোক নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবেহে যত্নপৰ। নাগৰিকত্ব সংশোধনী আইনৰ অধীনত পশ্চিমবংগৰ মতুৱা সম্প্ৰদায়ক নাগৰিকত্ব প্ৰদান কৰা হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। শ্ৰীমোদীয়ে কয় যে, তেওঁৰ চৰকাৰৰ অধীনত মহিলাসকলৰ সৱলীকৰণৰ হকে ভালেমান পদক্ষেপ লোৱা হৈছে।

বিহাৰতো সপ্তম তথা অন্তিম পৰ্যায়ৰ নিৰ্বাচনী প্ৰচাৰ তুংগত উঠিছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী নিত্যানন্দ ৰায়ে আজি কাৰাকত সংসদীয় সমষ্টিত বৰুণত এখন নিৰ্বাচনী সভাত ভাগ লৈ আই এন ডি আই মিত্ৰজোটে লোকসভা নিৰ্বাচনত মুখ থেকেচা খাব বুলি দাবী কৰে। একেদৰে বিজেপিৰ জ্যেষ্ঠ নেতা তথা উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথে আজি পাটনা চাহিব লোকসভা সমষ্টিত এখন জনসভাত ভাষণ দিয়ে। তেওঁ কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অত্যাধুনিক সা-সুবিধাৰে এখন নতুন ভাৰত গঢ়িবি বিচাৰে, কিন্তু আৰ জে দি আৰু কংগ্ৰেছে উন্নয়নমূলক কাম-কাজ ব্যাহত কৰিব বিচাৰে। তেওঁ কয় যে, প্ৰধানমন্ত্ৰী জম্মু-কাশ্মীৰৰ পৰা ৩৭০ নম্বৰ অনুচ্ছেদ প্ৰত্যাহাৰ কৰিছে আৰু ইয়াৰ ফলত অঞ্চলটোত সন্ত্ৰাসবাদৰ ঘটনা হ্ৰাস পাইছে। ইফালে, জে দি ইউৰ সভাপতি তথা মুখ্যমন্ত্ৰী নীতিশ কুমাৰে আজি নালান্দা সমষ্টিত এখন নিৰ্বাচনী সভাত ভাগ লয়। তেওঁ পৰিয়ালকেন্দ্ৰীক ৰাজনীতিৰ বাবে আৰ জে দিৰ মুৰববী লালু প্ৰসাদ যাদৱক তীব্ৰ সমালোচনা কৰে। আনহাতে, আৰ জে ডিৰ মুৰববী লালু প্ৰসাদ যাদৱে আজি পাটনাত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত কয় যে এইবাৰৰ লোকসভা নিৰ্বাচন সংৰক্ষণ ব্যৱস্থা আৰু ভাৰতীয় সংবিধানৰ সুৰক্ষাৰ যুঁজৰূপে পৰিগণিত হৈছে। এই নিৰ্বাচনত বিজেপিৰ ৪০০ তকৈ অধিক আসনৰ দাবী নিৰৰ্থক প্ৰমাণিত হ'ব বুলিও তেওঁ উল্লেখ কৰে। আৰ জে ডি নেতা তেজশ্বী যাদৱে বক্সাৰত দলৰ হকে প্ৰচাৰ চলায়। তেওঁ চাচাৰাম, জেহেনাবাদ আৰু পাতলিপুত্ৰ সমষ্টিত ৩ খন নিৰ্বাচনী সভাত ভাগ লোৱাৰ কথা আছে।

০০০০০

বংগোপসাগৰৰ উত্তৰ দিশৰ পৰা অসম তথা উত্তৰ-পূৰ্বাঞ্চলত প্ৰৱেশ কৰা ঘূৰ্ণী বতাহৰ প্ৰভাৱত ৰাজ্যখনৰ ঠায়ে ঠায়ে হোৱা প্ৰচণ্ড ধুমুহা আৰু বৰষুণৰ ফলত জনসাধাৰণৰ স্বাভাৱিক জীৱনযাত্ৰা ব্যাহত হৈছে। ৰাজ্যত আজি ধাৰাসাৰ ধুমুহা-বৰষুণ আৰু ভূমিস্খলনৰ ফলত চাৰিজন লোকে প্ৰাণ হেৰুওৱাৰ উপৰি ১২ গৰাকী শিক্ষাৰ্থীসহ ১৭ জন লোক আহত হৈছে। **মৰিগাঁও** জিলাৰ ধূপগুৰিত এজন ছাত্ৰৰ গাত গছ বাগৰি পৰাৰ ফলত ছাত্ৰজন মৃত্যুমুখত পৰে। আনহাতে, কামৰূপ জিলাত এজন আৰু কামৰূপ মহানগৰত আন এজন লোকৰ ধুমুহাৰ ফলত মৃত্যু হয়। ইফালে, গেৰুকামুখত এন এইচ পি চি প্ৰকল্পৰ কৰ্মী এগৰাকীৰ ভূমি স্খলনৰ ফলত মৃত্যু হৈছে। ৰেমল নামৰ ঘূৰ্ণী বতাহৰ প্ৰভাৱত ৰাজ্যৰ বিভিন্ন ঠাইত ধাৰাসাৰ বৰষুণ হৈ আছে আৰু কেইবাখনো জিলাত সতৰ্কতা জাৰি কৰা হৈছে। চৰকাৰী সংস্থাসমূহে ব**ঙাইগাঁও, দৰং, ধুবুৰী, হোজাই, কামৰূপ, কোকৰাঝাৰ, মৰিগাঁও, নগাঁও, শোণিতপুৰ, দক্ষিণ শালমাৰা মানকাচৰ** জিলাৰ লগতে অসম শক্তি বিতৰণ কোম্পানী লিমিটেড অৰ্থাৎ এ পি ডি চি এলৰ সা-সম্পত্তিসমূহৰ ধুমুহাৰ ফলত হোৱা ক্ষয়-ক্ষতিৰ মূল্যায়ন কৰি আছে। **কৰিমগঞ্জ** জিলাৰ পাথাৰকান্দি ৰাজহচক্ৰৰ ঠাই বিশেষে আকস্মিক বানৰ সৃষ্টি হোৱা দেখা গৈছে। ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈসমূহৰ পানী ভালেমান ঠাইত বৃদ্ধি

পাইছে। **চিৰাং, গোৱালপাৰা, বাক্সা, ডিমা-হাচাও, কাছাৰ, হাইলাকান্দি, কৰিমগঞ্জ জিলাত ৰেড এলাৰ্ট জাৰি কৰাৰ বিপৰীতে ধুবুৰী, দক্ষিণ শালমাৰা, বঙাইগাঁও, বজালী, তামুলপুৰ, বৰপেটা, নলবাৰী, মৰিগাঁও, নগাঁও, হোজাই আৰু পশ্চিম কাৰ্বি আংলং** জিলাত অ'ৰেঞ্জ এলাৰ্ট জাৰি কৰা হৈছে।

গুৱাহাটীকে ধৰি ৰাজ্যৰ ভালেমান জিলাত নেৰানেপেৰা বৰষুণ আৰু ধুমুহাৰ ফলত কালি সন্ধিয়াৰে পৰা বিদ্যুৎ যোগান ব্যাহত হৈ আছে। কেইবাখনো জিলাৰ প্ৰশাসনে সতৰ্কতামূলক ব্যৱস্থাৰ অংশ হিচাপে আজি বিদ্যালয় বন্ধ ৰখাৰ কথা ঘোষণা কৰিছে আৰু উত্তৰ-পূব সীমান্ত ৰে'লৱেই কেইবাখনো ৰে'লগাড়ীৰ যাত্ৰা বাতিল কৰিছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে সকলো জিলা দুৰ্যোগ ব্যৱস্থা প্ৰাধিকৰণক পৰিস্থিতিৰ পৰ্যালোচনা চলাবলৈ আৰু প্ৰয়োজন সাপেক্ষে বিশেষকৈ ধুবুৰী, গোৱালপাৰা, দক্ষিণ শালমাৰা, মানকাচৰ, বঙাইগাঁও আৰু বৰপেটা জিলাত ব্ৰহ্মপুত্ৰত নাও চলাচল নিয়ন্ত্ৰণ কৰিবলৈ নিৰ্দেশ দিছে। বৰাক উপত্যকাৰ বৰাক আৰু কুশিয়াৰা নৈতো নাও চলাচল নিয়ন্ত্ৰণ কৰিবলৈ কোৱা হৈছে। ৰাজ্য চৰকাৰে ধাৰাসাৰ বৰষুণ আৰু ধুমুহাৰ প্ৰতি লক্ষ্য ৰাখি নাগৰিকৰ সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে ব্যাপক ব্যৱস্থা গ্ৰহণ কৰিছে। ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী আৰু ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীৰ দলক সাজু কৰি ৰখা হৈছে আৰু নিয়ন্ত্ৰণ কক্ষসমূহ সক্ৰিয় কৰি তোলা হৈছে।

ooooo

নিৰ্বাচনী প্ৰচাৰৰ উদ্দেশ্যে সম্প্ৰতি ওড়িশাত থকা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যত ধুমুহা-বৰষুণৰ ফলত সৃষ্টি হোৱা পৰিস্থিতি সন্দৰ্ভত আজি ৰাজ্যখনৰ মুখ্য সচিবৰ লগতে ফোনযোগে বাৰ্তালাপ কৰে। তেওঁ মুখ্যসচিবগৰাকীৰ পৰা পৰিস্থিতিৰ বুজ লৈ সাহায্য, পুনৰ সংস্থাপন আৰু সতৰ্কতামূলক ব্যৱস্থাসমূহ সূক্ষ্মভাৱে নিৰীক্ষণ কৰিবলৈ নিৰ্দেশ দিয়ে। ডঃ শৰ্মাই লগতে ধুমুহা-বৰষুণ আৰু ভূমিস্খলনৰ ফলত দুজন লোকৰ প্ৰাণহানিৰ ঘটনাক লৈ গভীৰ শোক প্ৰকাশ কৰে। তেওঁ ক্ষতিগ্ৰস্ত পৰিয়ালসমূহৰ প্ৰয়োজনীয় সকলো সাহায্য আৰু আহতসকলক সময়মতে চিকিৎসা প্ৰদান কৰাটো নিশ্চিত কৰিবলৈ মুখ্য সচিবক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীৰ নিৰ্দেশমৰ্মে কিছু সময়ৰ পাছতে ৰাজ্যৰ মুখ্য সচিবে আৰক্ষী সঞ্চালকপ্ৰধানৰ উপস্থিতিত জিলাসমূহৰ আয়ুক্ত আৰু অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ বিষয়ববীয়াৰ সৈতে ভিডিঅ' কনফাৰেন্সযোগে সমগ্ৰ ব্যৱস্থাৰ পৰ্যালোচনা কৰিব। এই বৈঠকতে ক্ষতিগ্ৰস্তসকলৰ সা-সম্পত্তিৰ ক্ষয়-ক্ষতিৰ মূল্যায়নৰ লগতে তাৎক্ষনিক সাহায্য প্ৰদানৰ ব্যৱস্থা লোৱা হ'ব।

ooooo

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই কৈছে যে, বিদায়ী সপ্তদশ লোকসভা মহিলা সংৰক্ষণ বিধেয়ক, ৩ তালাক প্ৰথাৰ বিলুপ্তি আৰু ভাৰতীয় ন্যায় সংহিতাসহ কেইবাখনো ঐতিহাসিক বিধেয়ক গৃহীতকৰণৰ বাবে জনা যাব। নতুন দিল্লীত আজি আকাশবাণীৰ সৈতে হোৱা কথা বতৰাত শ্ৰীবিৰলাই নিজৰ ৫ বছৰীয়া কাৰ্যকালৰ কথা স্মৰণ কৰি কয় যে, এই বিধেয়কসমূহে দেশক আগুৱাই লৈ যাব আৰু ইতিবাচক পৰিৱৰ্তনৰ সূচনা কৰিব। তেওঁ কয় যে, সপ্তদশ লোকসভাৰ সময়ছোৱাত হোৱা আলোচনা আৰু বিতৰ্কই ২০৪৭ চনৰ ভিতৰত উন্নত ভাৰত গঢ়াৰ বাবে বিশদ পৰিকল্পনা হিচাপে কাম কৰিব।

লোকসভাৰ অধ্যক্ষগৰাকীয়ে কয় যে, সংসদত লোকসভাৰ নৱ নিৰ্বাচিত সাংসদসকলক আদৰণি জনাবলৈ বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। নতুন সংসদ ভৱনৰ এবছৰ সম্পূৰ্ণ হোৱা সন্দৰ্ভত শ্ৰীবিৰলাই কয় যে, অতি কম

সময়ৰ ভিতৰতে অত্যাধুনিক সা-সুবিধাৰে সুসজ্জিত এই ভৱনটো নিৰ্মাণ কৰি উলিওৱা হৈছে। তেওঁ কয় যে, সংসদ ভৱনৰ চৌহদ বিভিন্ন ৰাজ্যৰ পৰা অনা গছৰ বিভিন্ন প্ৰজাতিৰে পৰিবেশ অনুকুল ঠাইৰূপে বিকশাই তোলা হৈছে।

ooooo

উচ্চতম ন্যায়ালয়ৰ এখন অৱকাশকালীন বিচাৰপীঠে সুৰা নীতি কেলেংকাৰী সম্পৰ্কীয় ক'লাধন বৈধকৰণৰ গোচৰত  অন্তৰৰ্তীকালীন জামিনৰ ম্যাদ ৭ দিনলৈ বৃদ্ধিৰ বাবে আনুৰোধ জনাই দিল্লীৰ মুখ্যমন্ত্ৰী তথা আম আদমী পাৰ্টীৰ ৰাষ্ট্ৰীয় আহ্বায়ক অৰবিন্দ কেজৰিৱালে দাখিল কৰা আবেদনৰ শুনানি গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিছে। ইয়াৰ পূৰ্বে শ্ৰীকেজৰিৱালে সৰ্বোচ্চ ন্যায়ালয়ে বিষয়টোৰ তাৎক্ষণিক শুনানিৰ বাবে আবেদন জনাইছিল।

ooooo

সমাপ্ত